# পৰী হিলৈদাৰী, ইন্দিৰা বড়ো, সঞ্জীৱ উপাধ্যায়লৈ সাহিত্য অকাদেমিৰ অনুবাদ বঁটা





*পৰী হিলৈদাৰী* *সঞ্জীৱ উপাধ্যায়* *ইন্দিৰা বড়ো*

## সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীলৈ অকাদেমি ভাষা সন্মান

**গুৱাহাটী ঃ** ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ জুন ঃ অসমীয়া সাহিত্যৰ বাবে আন এক সু-খবৰ। অসমবাসীক গৌৰৱান্বিত কৰি এইবাৰ সাহিত্য অকাদেমিৰ অনুবাদ বঁটা লাভ কৰিছে পৰী হিলৈদাৰী, ইন্দিৰা বড়ো আৰু ড° সঞ্জীৱ উপাধ্যায়ে। আজি সাহিত্য অকাদেমি কৰ্তৃপক্ষই *৮ পিঠিলৈ*

Continue reading.......

# পৰী হিলৈদাৰী, ইন্দিৰা...

*এক পিঠিৰ পৰা* প্ৰকাশ কৰা মতে, 'মামাং দাই' নামৰ ইংৰাজী ভাষাৰ উপন্যাসখনৰ অসমীয়া অনুবাদ 'দাঁতি পাৰৰ মানুহ' নামৰ গ্ৰন্থখনৰ বাবে পৰী হিলৈদাৰীলৈ এই বঁটা আগবঢ়োৱা হৈছে। পৰী হিলৈদাৰী বৰ্তমান গুৱাহাটীস্থিত সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰবক্তা হিচাপে কৰ্মৰত। আনহাতে, বড়ো ভাষাত অনুবাদ সাহিত্য বঁটা লাভ কৰা ইন্দিৰা বড়োৱে জয়ন্তী গগৈৰ 'হিড়িম্বা' নামৰ অসমীয়া ভাষাৰ উপন্যাসখন বড়ো ভাষালৈ অনুবাদ কৰিছিল। মন কৰিব লগীয়া কথা যে এইবাৰ নেপালী ভাষাত অনুবাদ সাহিত্য বঁটা লাভ কৰা ড° সঞ্জীৱ উপাধ্যায়ে হোমেন বৰগোহাঞিৰ 'পিতা-পুত্ৰ' নামৰ উপন্যাসখন নেপালী ভাষলৈ অনুবাদ কৰিছিল। নেপালী ভাষাত প্ৰকাশিত এই অনুবাদ উপন্যাসখনৰ নাম হৈছে বাবু-ছৌৰা। উল্লেখযোগ্য যে সাহিত্য অকাদেমিয়ে আজি ২০২১ বৰ্ষৰ অনুবাদ সাহিত্য বঁটাসমূহ ঘোষণা কৰিছে। দেশৰ মুঠ ২২টা ভাষাৰ বাবে প্ৰদান কৰা এই বঁটাত আছে ৫০ হাজাৰ টকাৰ লগতে এখন মানপত্ৰ।

■**ড° সঞ্জীৱ উপাধ্যায়লৈ বিশ্বনাথবাসীৰ অভিনন্দন ঃ বিশ্বনাথ চাৰিআলিৰ** নিজা প্ৰতিবেদক ঃ সাহিত্য অকাদেমিয়ে আজি ঘোষণা কৰা অনুবাদ সাহিত্যৰ বাবে বিশ্বনাথৰ গেলাপুখুৰী নিবাসী তথা ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক ড° সঞ্জীৱ উপাধ্যায় সাহিত্য অকাদেমি বঁটা-২০২১ৰ বাবে নিৰ্বাচিত হৈছে। ড° সঞ্জীৱ উপাধ্যায়ে স্বনামধন্য সাহিত্যিক হোমেন বৰগাহোঞিৰ 'পিতা-পুত্ৰ' উপন্যাসখন 'বাবু-ছাৰো' নামেৰে নেপালী ভাষালৈ অনুবাদ কৰি এই সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়। ড° উপাধ্যায়ে ইতিমধ্যে ২০খন পাঠ্যপুথিৰ উপৰি অসমীয়া, নেপালী, ইংৰাজী ভাষাত ২০খনৰো অধিক গ্ৰন্থ ৰচনা কৰিছে। বিজ্ঞান বিষয়ক বিভিন্ন লেখাৰ উপৰি সাহিত্যৰ ক্ষেত্ৰত বিশেষ অবদান আগবঢ়োৱা ড° সঞ্জীৱ উপাধ্যায়লৈ অনুপম চিন্তন মঞ্চ, বিশ্বনাথ জিলা নেপালী সাহিত্য সভা, বিশ্বনাথ নগৰ নেপালী সাহিত্য সভা আদি দল-সংগঠন আৰু স্থানীয় ৰাইজে অভিনন্দন জনাইছে। ■**বি টি আৰত আনন্দৰ লহৰ ঃ কোকৰাঝাৰৰ** নিজা বাতৰি দিওঁতা ঃ বড়ো ভাষাত সাহিত্য অকাদেমি অনুবাদ বঁটা লাভ কৰিছে কোকৰাঝাৰ জিলাৰ বড়োলেণ্ড